অধ্যায় ৫ ঃ যৌথ পুঁজি (MUTUAL FUND)

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ যৌথ পুঁজিৰ অর্থ আৰু সংজ্ঞা
৫.৪ যৌথ পুঁজিৰ উদ্দেশ্য
৫.৫ যৌথ পুঁজিৰ বৈশিষ্ট্য
৫.৬ যৌথ পুঁজিৰ গুৰুত্ব
৫.৭ বিভিন্ন প্ৰকাৰৰ যৌথ পুঁজি
৫.৮ যৌথ পুঁজিৰ উপাদান
৫.৯ পদ্ধতিগত বিনিয়োগ আঁচনি
৫.১০ ভাৰতীয় প্ৰতিভূতি বিনিময় বোৰ্ড (যৌথ পুঁজি) নীতি, ১৯৯৬
৫.১১ ভাৰতবৰ্ষত যৌথ পুঁজিৰ বিকাশ
৫.১২ ভাৰতবৰ্ষৰ যৌথ পুঁজিসমূহে সন্মুখীন হোৱা প্ৰত্যাহ্বান
৫.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.১৪ অধিক জানিবলৈ
৫.১৫ অগ্ৰগতিৰ খতিয়ান
৫.১৬ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- যৌথ পুঁজিৰ অর্থ জানিব পাৰিব
- যৌথ পুঁজিৰ উদ্দেশ্য আৰু বৈশিষ্ট্যসমূহ জানিব পাৰিব
- বিভিন্ন প্ৰকাৰৰ যৌথ পুঁজি সম্পৰ্কে আলোচনা কৰিব পাৰিব
- যৌথ পুঁজি ব্যৱসায় নিয়ন্ত্ৰণৰ বাবে ভাৰতীয় প্ৰতিভূতি বিনিময় কেন্দ্ৰৰ বিভিন্ন নীতিসমূহ জানিব পাৰিব

৫.২ পৰিচয় (INTRODUCTION)

এজন সাধাৰণ মানুহৰ বাবে প্ৰতিভূতি বজাৰত অর্থৰ বিনিয়োগ এক শংকাযুক্ত কাম। প্ৰতিভূতি বজাৰত বিনিয়োগ কৰিবলৈ বিশেষ জ্ঞান আৰু পাৰদর্শিতাৰ প্ৰয়োজন। লগতে বৃহৎ বৃহৎ ব্যৱসায়ীক গৌষ্ঠীসমূহৰ প্ৰতিভূতিত বিনিয়োগ কৰিবলৈ হ'লে বিনিয়োগকাৰীজনৰ হাতত এক বৃহৎ পৰিমাণৰ ধন থকা প্ৰয়োজন। এনেধৰণৰ পৰিস্থিতিত এজন সাধাৰণ মানুহৰ বাবে

প্রতিভূতি বজাৰত বিনিয়োগ কৰাটো কঠিন হৈ পৰে। তেনে ক্ষেত্ৰত যৌথ পুঁজিয়ে সৰু সৰু বিনিয়োগকাৰীসমূহক প্রতিভূতি বজাৰত বিনিয়োগৰ সুবিধা দি এক উল্লেখযোগ্য ভূমিকা পালন কৰা। সৰু সৰু পানীৰ চৌপাশবোৰে যিদৰে সাগৰ সুতি কৰে ঠিক তেনেদৰে যৌথ পুঁজিয়ে সৰু সৰু বিনিয়োগকাৰীৰ পৰা টকা সংগ্রহ কৰি এক বৃহৎ পুঁজিৰ সৃষ্টি কৰে। সেয়েহে যৌথ পুঁজি হৈছে এক প্রকাৰৰ সমূহীয়া বিনিয়োগ।

এইটো অধ্যায়ত আমি যৌথ পুঁজিৰ ধাৰণা, বৈশিষ্ট্য, যৌথ পুঁজিৰ প্রয়োজনীয়তা, বিভিন্ন প্রকাৰৰ যৌথ পুঁজি, যৌথ পুঁজিৰ উপাদা নআৰু যৌথ পুঁজিৰ নিয়ন্ত্রণৰ বিষয়ে আলোচনা কৰিম।

৫.৩ যৌথ পুঁজিৰ অর্থ আৰু সংজ্ঞা (MEANING AND DEFINITION OF MUTUAL FUNDS)

যৌথ পুঁজি হৈছে এক বিশেষ ধৰণৰ বিনিয়োগ প্রতিষ্ঠান যিবোৰে সমূহীয়া বিনিয়োগৰ বাবে বিনিয়োগকাৰীসকলৰ পৰা ধন সংগ্রহ কৰে আৰু বিভিন্ন প্রকাৰৰ প্রতিভূতিৰ বিনিয়োগ কৰে। ই এক বিত্তীয় মধ্যস্থতাকাৰী হিচাপে কাম কৰে আৰু বিনিয়োগকাৰীসমূহৰ পৰা সঞ্চিত ধন সংগ্রহ কৰি বিভিন্ন প্রকাৰৰ প্রতিভূতি যেনে মুদ্রা বজাৰৰ আহিলা, উদ্যোগীক আৰু চৰকাৰী ব'ণ্ড, যৌথ কোম্পানীৰ অংশ ইত্যাদিত বিনিয়োগ কৰে।

ই বিনিয়োগকাৰীসকলৰ পৰা ধনসমূহ উলিয়াই আনি সেইবোৰ প্রতিভূতি বজাৰত বিনিয়োগ কৰি বিনিয়োগকাৰী আৰু প্রতিভূতি বজাৰৰ মাজত মধ্যস্থতাকাৰী হিচাপে কাম কৰে। ভাৰতীয় প্রতিভূতি বিনিময় কেন্দ্র (যৌথ পুঁজি) নীতি, ১৯৯৬ মতে যৌথ পুঁজি হৈছে 'বিভিন্ন প্রতিভূতি যেনে মুদ্রা বজাৰৰ আহিলা সোণ, সোণৰ লগত জড়িত প্রতিভূতি আদিত বিনিয়োগ কৰিবৰ বাবে বিভিন্ন আঁচনিৰ অধীনত গোট/অংশ বিক্রী কৰি জনসাধাৰণক একাংশ জনসাধাৰণৰ পৰা টকা সংগ্রহ কৰাৰ অর্থে স্থাপন কৰা এটা ট্রাষ্ট।'

উপৰোক্ত সংজ্ঞা মতে ভাৰতবর্ষত যৌথ পুঁজিসমূহে ৰাইজৰ মাজত গোট/অংশ বিক্রীৰ দ্বাৰা সম্পদ আহৰণ কৰিব পাৰে। ইয়াক ভাৰতীয় ট্রাষ্ট আইনৰ অধীনত ট্রাষ্ট হিচাপে স্থাপন কৰিব পাৰি।

৫.৪ যৌথ পুঁজিৰ উদ্দেশ্য (OBJECTIVES OF MUTUAL FUNDS)

যৌথ পুঁজিৰ নির্দিষ্ট উদ্দেশ্য থাকে যিটো অনুষ্ঠান পত্রত উল্লেখ থাকে। উন্নতি পুঁজিৰ উদ্দেশ্য হ'ল বুজন পৰিমাণৰ মূলধনী আয় আহৰণ কৰা, উন্নতি আৰু আয় পুঁজিৰ উদ্দেশ্য হ'ল লভ্যাংশ আয় আৰু মূলধনী আয় দুয়োটা আহৰণ কৰা। মূলধনৰ সুৰক্ষা, মূলধনী আয় সংগ্রহ আৰু সাধাৰণ আয়ৰ উদ্দেশ্যেৰে সন্তুলিত পুঁজিত বিভিন্ন ক্ষেত্রৰ বিভিন্ন প্রতিভূতি অন্তর্ভুক্তি কৰা হয়। উদ্যোগ ভিত্তিক যৌথ পুঁজিসমূহে সাধাৰণতে এটা বিশেষ উদ্যোগক লৈ পুঁজি সংগ্রহ কৰে। সাধাৰণতে, উন্নয়নী পুঁজিসমূহৰ শংকাৰ পৰিমাণ বেছি, সন্তুলিত পুঁজিৰ শংকা কম আৰু

আয় উন্নয়নী পুঁজিৰ শংকা সন্তুলিত হয়।

৫.৫ যৌথ পুঁজিৰ বৈশিষ্ট্য (FEATURES OF MUTUAL FUND INVESTMENT)

যৌথ পুঁজিৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল ঃ

(ক) যৌথ পুঁজিত বিভিন্ন সময়ৰ বিভিন্ন প্ৰকাৰৰ প্ৰতিভূতি অন্তৰ্ভুক্তি কৰা হয়।

(খ) যৌথ পুঁজি আগ্ৰামীমূলক যিটোৱে উচ্চ আয় আৰু সন্তুলিত শংকাত গুৰুত্ব প্ৰদান কৰে।

(গ) সমাংশ আয় পুঁজিৰ জৰিয়তে লভ্যাংশ অৰ্জনত গুৰুত্ব দিয়ে।

(ঘ) ক্ষুদ্ৰ বিনিয়োগকাৰীৰ পৰা ধন সংগ্ৰহ কৰি লাভজনক ঠাইত বিনিয়োগ কৰে।

(ঙ) বিনিয়োগকাৰীৰ পক্ষ সুৰক্ষিত কৰে।

৫.৬ যৌথ পুঁজিৰ গুৰুত্ব (IMPORTANCE OF MUTUAL FUNDS)

শেহতীয়াকৈ যৌথ পুঁজিৰ যথেষ্ট বিকাশ হৈছে। যৌথ পুঁজিৰ গুৰুত্বসমূহ তলত উল্লেখ কৰা হ'ল—

(ক) সঞ্চয়ক বিনিয়োগৰ উপযোগী কৰে — বিভিন্ন প্ৰকাৰৰ বিনিয়োগকাৰীৰ বিভিন্ন ধৰণৰ প্ৰয়োজন পূৰণ কৰিবলৈ আৰু সঞ্চয়ক বিনিয়োগলৈ ৰূপান্তৰ কৰিবলৈ যৌথ পুঁজিসমূহে বিভিন্ন প্ৰকাৰৰ আঁচনি গ্ৰাহকৰ মাজলৈ এৰি দিয়ে। যৌথ পুঁজি অবিহনে এনে সঞ্চয়সমূহৰ উচিত ব্যৱহাৰ অসম্ভৱ।

(খ) বিনিয়োগৰ বাবে বহল পৰিসৰ প্ৰদান কৰে — যৌথ পুঁজিত বিনিয়োগৰ দ্বাৰা বিনিয়োগকাৰীজনে বিনিয়োগৰ বাবে এক বৃহৎ পৰিসৰ পাব পাৰে। বিভিন্ন প্ৰকাৰৰ অংশত বিনিয়োগ কৰি যৌথ পুঁজিসমূহে বিনিয়োগৰ ক্ষতি শংকাসমূহৰ ভাগ বিতৰণ কৰি লোকচানৰ পৰিমাণ সীমিত কৰে যিটো ক্ষুদ্ৰ বিনিয়োগকাৰীৰ দ্বাৰা সম্ভৱ নহয়।

(গ) কম খৰচত দক্ষ বিনিয়োগ সেৱা — পুঁজি পৰিচালনা আৰু নিয়ন্ত্ৰণৰ কামসমূহ বিনিয়োগ ক্ষেত্ৰৰ দক্ষ আৰু কৌশলী ব্যক্তিক প্ৰদান কৰা হয়। এনে ব্যক্তিসকলে বিনিয়োগৰ সিদ্ধান্ত তেওঁলোকৰ অভিজ্ঞতা আৰু কৌশলৰ ওপৰত নিৰ্ভৰ কৰি গ্ৰহণ কৰে। সেয়েহে বিনিয়োগকাৰী সকলে সদায় উন্নত মানৰ বিনিয়োগ সেৱা পাই।

(ঘ) কৰ ৰেহাই — কিছুমান পুঁজিত বিনিয়োগকাৰীক কৰ ৰেহাইৰ সুবিধা দিয়ে। আয় কৰ আইনৰ ধাৰ ৪০C অনুসৰি ১,৫০,০০০ টকালৈ যৌথ পুঁজিত বিনিয়োগৰ ওপৰত কৰ ৰেহাই দিয়া হয়। যৌথ পুঁজিৰ বিনিয়োগৰ পৰা পোৱা লভ্যাংশৰ ওপৰত বিনিয়োগকাৰীয়ে আয় কৰ দিব নালাগে।

(ঙ) বিনিয়োগৰ আহিলা আৰু তাৰল্যৰ উপলব্ধ — যৌথ পুঁজিত সৰু সৰু বিনিয়োগকাৰীসকললৈ বিনিয়োগৰ সুবিধা প্ৰদান কৰে। যৌথ পুঁজিসমূহে

বিনিয়োগকাৰীসকলক অংশ ক্ৰয়ৰ এক কম খৰচী বিকল্প প্ৰদান কৰে। যৌথ পুঁজি অবিহনে সৰু বিনিয়োগকাৰীসকলে প্ৰতিভূতি বজাৰত বিনিয়োগ কৰা অসম্ভৱ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ যৌথ পুঁজি বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন নং ২ঃ যৌথ পুঁজিত বিনিয়োগৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

৫.৭ বিভিন্ন প্ৰকাৰৰ যৌথ পুঁজি (TYPES OF MUTUAL FUNDS)

১) **মালিকীস্বত্বৰ ভিত্তিত**

(ক) **ৰাজহুৱা খণ্ডৰ যৌথ পুঁজি ঃ** যিবোৰ যৌথ পুঁজি ভাৰত চৰকাৰ বা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ দ্বাৰা স্থাপন কৰা হয় তেনে যৌথ পুঁজিক ৰাজহুৱা যৌথ পুঁজি বোলা হয়। যেনে - UTI, SBI যৌথ পুঁজি, Canara Bank যৌথ পুঁজি ইত্যাদি।

(খ) **ব্যক্তিগত খণ্ডৰ যৌথ পুঁজি ঃ** ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহে স্থাপন কৰা যৌথ পুঁজিসমূহক ব্যক্তিগত খণ্ডৰ যৌথ পুঁজি বোলা হয়। যেনে— ৰিলায়েন্স যৌথ পুঁজি, কোটক মহিন্দ্ৰা যৌথ পুঁজি, Escovt India যৌথ পুঁজি ইত্যাদি।

২) **স্থান ভিত্তিত**

(ক) **ঘৰুৱা যৌথ পুঁজি ঃ** ঘৰুৱা যৌথ পুঁজিসমূহে এখন দেশৰ চাৰিসীমাৰ ভিতৰতে কাম-কাজ কৰে। এনে পুঁজিসমূহে দেশৰ ভিতৰৰ সঞ্চিত মূলধন সঞ্চালিত কৰি দেশীৰ কোম্পানীৰ প্ৰতিভূতিতে বিনিয়োগ কৰে। উদাহৰণস্বৰূপে ভাৰতবৰ্ষত UTI, SBI, যৌথ পুঁজি, Canara Bank যৌথ পুঁজি ইত্যাদি।

(খ) **বহিৰাগত যৌথ পুঁজি ঃ** বহিৰাগত যৌথ পুঁজিত বৈদেশিক পুঁজিৰ প্ৰবাহ নিশ্চিত কৰে। এনেধৰণৰ পুঁজিত কোনো এখন দেশত/দেশসমূহত বৈদেশীক মূলধন আকৰ্ষিত কৰে। এই যৌথ পুঁজিসমূহে দেশীয় বজাৰখন বৈদেশীক বিনিয়োগকাৰীসকলৰ আগত উপস্থাপন কৰে। এনে পুঁজিসমূহ পঞ্জীকৃত দেশৰ আইন-কানুনৰ দ্বাৰা পৰিচালিত হয়। Standard Chartered Bankৰ দ্বাৰা পৰিচালিত ভাৰত বিনিয়োগ পুঁজি, Canara Bank ৰ দ্বাৰা পৰিচালিত Common Wealth Equity Fund ইত্যাদি হ'ল বাহিৰাগত যৌথ পুঁজিৰ উদাহৰণ।

৩) **প্ৰতিভূতিৰ সংমিশ্ৰণ অনুসৰি**

(ক) **আয় পুঁজি ঃ** আয় পুঁজিৰ উদ্দেশ্য হৈছে বিনিয়োগৰ পৰা বিনিয়োগকাৰী বৰ্তমান আয়

বৃদ্ধি কৰা। আয় পুঁজিৰ দুটা দিশ আছে এটা হ'ল কম শংকাৰ সহিতে স্থিৰ আয় আৰু আনটো হ'ল উচ্চ শংকাত সহিতে উচ্চ আয়।

(খ) **বৃদ্ধি পুঁজি ঃ** বৃদ্ধি পুঁজিৰ সৰহ পৰিমাণৰ পুঁজি মজলীয়া বা দীৰ্ঘম্যাদী মূলধনী আয়ৰ উদ্দেশ্যেৰে সমাংশ অংশত বিনিয়োগ কৰা হয়। ই হৈছে উচ্চ মূলধনী আয় যুক্ত, উচ্চ শংকা জড়িত আৰু কম চলিত আয়ৰ পুঁজি। ই হৈছে ডেকা চাকৰিয়াল আৰু ব্যৱসায়ীসকলৰ বাবে উপযুক্ত বিনিয়োগ আহিলা যিসকলৰ শংকা বহনৰ ক্ষমতা বেছি।

(গ) **উদ্ধৃত্ত পুঁজি ঃ** ই হৈছে আয় আৰু বৃদ্ধি পুঁজিৰ সংমিশ্রণ। এই পুঁজি সাধাৰণতে সমাংশ অংশ আৰু স্থিৰ আয় বহনকাৰী প্রতিভূতিত বিনিয়োগ কৰা হয়। এই পুঁজিৰ উদ্দেশ্য হৈছে নিয়মীয়া আয়ৰ লগতে মূলধনী আয় উপার্জন কৰা। এই পুঁজিত শংকাৰ পৰিমাণ মজলীয়া।

(ঘ) **ব'ণ্ড পুঁজি ঃ** বিনিয়োগকাৰীক নিয়মীয়া আৰু স্থিৰ হাৰত আয় প্রদান কৰাৰ অর্থে ব'ণ্ড পুঁজিসমূহ বিভিন্ন প্রকাৰৰ ব'ণ্ডত বিনিয়োগ কৰা হয়। এই পুঁজিৰ মুখ্য উদ্দেশ্য হৈছে নিয়মীয়া আয় উপার্জন কৰা।

(ঙ) **সমাংশ পুঁজি ঃ** সমাংশ পুঁজিৰ ধন সমাংশ অংশত বিনিয়োগ কৰা হয়। এই পুঁজি সেই সকল বিনিয়োগকাৰীৰ বাবে যিবোৰে উচ্চ আয়ৰ আশাত উচ্চ হাৰত ক্ষতিৰ শংকা বহন কৰিব পাৰে।

৪) **কার্যৰ ভিত্তিত**

(ক) **মুকলি পুঁজি ঃ** এ ধৰণৰ পুঁজিত সংগ্রহ কৰিবলগীয়া পুঁজিৰ পৰিমাণ আৰু পুঁজি সংগ্রহৰ সময় অনিধাৰিত। এই পুঁজিত বিনিয়োগকাৰীসকলে অবিৰতভাৱে বিনিয়োগ কৰিব পাৰে। এই পুঁজিৰ দ্বাৰা সংগ্রহ কৰিবলগীয়া ধনৰ পৰিমাণ আৰু কিমান সময়ৰ ভিতৰত পুঁজি সংগ্রহ কৰা হ'ব সেয়া পূর্বনির্ধাৰিত নহয়। বিনিয়োগকাৰীসকলে যেতিয়া তেতিয়া প্রকৃত সম্পত্তিৰ মূল্যৰ (NAV) ভিত্তিত গোটসমূহ বিক্রী কৰিব পাৰে। মুকলি পুঁজিৰ বিনিয়োগকাৰীসকলে এটা পুঁজিৰ পৰা আন এটা পুঁজিলৈ মূলধন বা বিনিয়োগৰ ধন হস্তান্তৰ কৰিব পাৰে। এই পুঁজিৰ উদ্দেশ্য হৈছে বিনিয়োগকাৰীসকলৰ বাবে আয় সংগ্রহ কৰা।

(খ) **বন্ধ যৌথ পুঁজি ঃ** যৌথ পুঁজিৰ দ্বাৰা এক নির্দিষ্ট পৰিমাণৰ পুঁজি এক নির্দিষ্ট সময়ৰ ভিতৰত সংগ্রহ কৰা হয়। এই পুঁজিত বিনিয়োগৰ সুবিধা এক নির্দিষ্ট সময়ৰ বাবেহে খোলা থাকে। এজন বিনিয়োগৰাকীয়ে প্রথম বিলিৰ সময়তে এনে পুঁজিত বিনিয়োগ কৰিব পাৰে আৰু পিছলৈ, যিটো প্রতিভূতি বিনিময় কেন্দ্রত পুঁজিটো নামাকৰণ কৰা থাকে তাত গোটসমূহ বেচা-কিনা কৰিব পাৰে। এই পুঁজিৰ মূল উদ্দেশ্য হৈছে মূলধন বৃদ্ধি। নির্দিষ্ট সময় উকলি যোৱাৰ পিছত পুঁজিৰ ধন নিৰবিনিয়োগ কৰি গোট ধাৰকসকলক তেওঁলোকে ধাৰণ কৰা গোট অনুপাতে পুঁজিৰ ধন ভগাই দিয়া হয়।

(গ) **অভ্যন্তৰীণ পুঁজি ঃ** এই পুঁজিত মুকলি পুঁজি আৰু বন্ধ পুঁজি দুয়োটাৰ বৈশিষ্ট দেখিবলৈ পোৱা যায়। বিলিৰ পিছত এক নির্দিষ্ট সময়লৈ গোটসমূহ ক্রয় কৰিব পাৰি বা ঘুৰাই দিব

পাৰি আৰু পৰৱৰ্তী সময়ত ই বন্ধ যৌথ পুঁজিৰ দৰে হৈ পৰে আৰু গোটসমূহ পুঁজি বজাৰত ক্রয় বিক্রয় কৰা হয়।

মুকলি পুঁজি	বন্ধ পুঁজি
ক) মুকলি পুঁজিত পুঁজিৰ পৰিমাণ অসীমিত।	ক) বন্ধ পুঁজিত পুঁজিৰ পৰিমাণ সীমিত।
খ) মুকলি পুঁজিসমূহ বিনিয়োগৰ বাবে অবিৰতভাৱে খোলা থাকে। বিনিয়োগকাৰীয়ে যেতিয়াই ইচ্ছা তেতিয়াই পুঁজিৰ পৰা টকা উলিয়াই আনিব পাৰে।	খ) বন্ধ পুঁজি বিলিৰ পিছত এক নির্দিষ্ট সময়লৈহে বিনিয়োগৰ বাবে খোলা থাকে।
গ) মুকলি পুঁজিৰ গোটসমূহ ৰাজহুৱাকৈ বিক্রী কৰা নহয়। এই গোটসমূহ প্রকৃত সম্পত্তিৰ মূল্যৰ ভিত্তিত পুনৰ ক্রয় কৰে।	গ) বন্ধ পুঁজিৰ গোটসমূহ প্রতিভূতি বজাৰত ক্রয়-বিক্রয় কৰা হয়।
ঘ) মুকলি পুঁজিৰ কোনো নির্দিষ্ট ম্যাদ নাথাকে।	ঘ) বন্ধ পুঁজিৰ এক নির্দিষ্ট ম্যাদ থাকে।
ঙ) মুকলি পুঁজিৰ উদ্দেশ্য হৈছে আয় সংগ্রহ কৰা।	ঙ) বন্ধ পুঁজিৰ মূল উদ্দেশ্য হৈছে মূলধন বৃদ্ধি কৰা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ আয় যৌথ পুঁজি কি?

.....

.....

প্রশ্ন নং ৪ঃ ঘৰুৱা যৌথ পুঁজি কি?

.....

.....

অন্য প্রকাৰৰ যৌথ পুঁজি

(ক) **চৰকাৰী পুঁজি ঃ** এই পুঁজি হৈছে কেবল মাত্র চৰকাৰী প্রতিভূতিৰ বাবে। ই হৈছে ক্ষতিশংকা বিহীন বিনিয়োগ। কাৰণ চৰকাৰী প্রতিভূতিসমূহত বিনিয়োগ কৰা টকা সদায় সুৰক্ষিত।

(খ) **খণ্ডভিত্তিক পুঁজি ঃ** এই পুঁজিৰ ধন এটা বিশেষ খণ্ড যেনে- শক্তি, যোগাযোগ, তথ্য প্রযুক্তি, প্রাকৃতিক সম্পদ, আমোদ ইত্যাদিত বিনিয়োগ কৰা হয়।

(গ) **সূচক পুঁজি ঃ** ই হৈছে এনে এক পুঁজি য'ত পুঁজিসমূহ এনে প্রতিভূতিত বিনিয়োগ কৰা হয় যিবোৰে এক নির্দিষ্ট সূচকক প্রতিনিধিত্ব কৰে।

(ঘ) **লিভাৰেজ পুঁজি ঃ** ই হৈছে এক সমূহীয়া পুঁজি যাৰ উদ্দেশ্য হৈছে মূলধন বৃদ্ধি।

(ঙ) **কৰ পুঁজি ঃ** এই পুঁজিত বিনিয়োগকাৰীসকলক কৰ ৰেহাইৰ সুবিধা প্রদান কৰে। এনে পুঁজিত বিনিয়োগ কৰিলে বিনিয়োগকাৰীসকলে কিছু পৰিমাণে কৰ ৰেহাই পাব পাৰে।

এই পুঁজিসমূহ বৃদ্ধি কামী আৰু বিশেষকৈ সমাংশ অংশত বিনিয়োগ কৰা হয়। এই পুঁজি দৰমহা ভোগীসকলৰ কাৰণে উপযোগী যিসকলে কৰ ৰেহাইৰ সুবিধা আদায় কৰিব বিচাৰে।

(চ) **মুদ্রা বজাৰ যৌথ পুঁজি ঃ** মুদ্রা বজাৰৰ বিভিন্ন আহিলা যেনে- কোষাগাৰ বিল, বাণিজিক বিল, জমা প্রমাণ পত্র ইত্যাদিত বিনিয়োগ কৰাৰ বাবে মুদ্রা বজাৰৰ যৌথ পুঁজি স্থাপন কৰা হয়। এই পুঁজিৰ মুখ্য উদ্দেশ্য হ'ল আয় আহৰণ কৰা আৰু তাৰল্য প্রদান কৰা। মুদ্রা বজাৰৰ পুঁজিসমূহ বিশেষভাৱে হ্রস্বকালীন আৰু সুদ আহৰণকাৰী আহিলাত বিনিয়োগ কৰে। যিসকল বিনিয়োগকাৰীয়ে বিনিয়োগৰ মূল্য ধৰি ৰখাৰ লগতে আয় আহৰণ কৰিব বিচাৰে তেনে বিনিয়োগৰাকীৰ বাবে ই সুবিধাজনক।

বেংক আৰু অন্য বিত্তীয় প্রতিষ্ঠানসমূহে আৰম্ভ কৰা যৌথ পুঁজিসমূহ সফল হোৱাত ভাৰতীয় ৰিজার্ভ বেংকে ১৯৯২ চনত ভাৰতবর্ষত মুদ্রা বজাৰ যৌথ পুঁজিৰ ব্যৱসায় আৰম্ভ কৰাৰ অনুজ্ঞা প্রদান কৰে। ইয়াৰ মুখ্য উদ্দেশ্য হৈছে যৌথ পুঁজিৰ ৰাহি ধন মুদ্রা বজাৰত বিনিয়োগ কৰা। মুদ্রা বজাৰ যৌথ পুঁজিৰ উচ্চ তাৰল্য, নিশ্চয়তা আৰু নির্দিষ্ট আয় সুনিশ্চিত কৰে। বিনিয়োগৰ চৰিত্রই মুদ্রা বজাৰ যৌথ পুঁজিক অন্য যৌথ পুঁজিৰ পৰা পৃথক কৰে। মুদ্রা বজাৰ যৌথ পুঁজিত এককভাৱে মুদ্রাবজাৰৰ আহিলাত বিনিয়োগ কৰে। অন্যহাতে সাধাৰণ যৌথ পুঁজিসমূহে মূলধনী বজাৰত বিনিয়োগ কৰে।

৫.৮ যৌথ পুঁজিৰ উপাদান (CONSTITUENTS OF MUTUAL FUNDS)

ভাৰতবর্ষত যৌথ পুঁজিসমূহ ভাৰতীয় প্রতিভূতি বিনিময় কেন্দ্র (যৌথ পুঁজি) নীতি, ১৯৯৬ দ্বাৰা পৰিচালিত হয়। ভাৰতীয় প্রতিভূতি বিনিময় কেন্দ্রই প্রস্তুত কৰা যৌথ পুঁজিৰ চাৰিতৰপীয়া পদ্ধতি তলত আলোচনা কৰা হ'ল—

(ক) **পৃষ্ঠাপোষক ঃ** যিকোনো ব্যৱসায়ীক অনুষ্ঠান যিটোৱে যৌথ পুঁজিৰ প্রতিষ্ঠা কৰে তেনে প্রতিষ্ঠানবোৰক পৃষ্ঠপোষক বোলে। ভাৰতীয় প্রতিভূতি বিনিময় কেন্দ্রৰ নিয়ম অনুসৰি পৃষ্ঠপোষকৰ বৃত্তিগত বুৎপত্তি, বিত্তীয় দক্ষতা আৰু ব্যৱসায়িক বিশুদ্ধতাৰ সুনাম থাকিব লাগিব। পৃষ্ঠপোষকে ট্রাষ্ট, সম্পত্তি পৰিচালনা কোম্পানী আৰু অভিৰক্ষবাদ নীতি অনুসৰি নিয়োগ কৰে।

(খ) **ন্যাসৰক্ষী ঃ** যিসকল ব্যক্তিয়ে যৌথ পুঁজিৰ সম্পত্তি গোটধাৰকসকলৰ লাভৰ বাবে আস্থাত লয় তেওঁলোকক ন্যাসৰক্ষী বোলে। ন্যাসৰক্ষীসকলে যৌথ পুঁজিটো চোৱাচিতা কৰে যিটো ভাৰতীয় ন্যাস আইনৰ অধীনত গঠন কৰা হয়। যৌথ পুঁজি চোৱাচিতা কৰাৰ বাবে এটা কোম্পানীক ভাৰতীয় প্রতিভূতি বিনিময় কেন্দ্রৰ আগতিয়া অনুমোদন অনুসৰি ন্যাসৰক্ষী হিচাপে নিযুক্তি দিয়া হয়।

(গ) **সম্পত্তি পৰিচালনা কোম্পানী ঃ** যৌথ পুঁজিৰ বিনিয়োগ পৰিচালকক সম্পত্তি পৰিচালনা কোম্পানী বোলা হয়। সম্পত্তি পৰিচালনা কোম্পানীসমূহ পৃষ্ঠপোষক বা ন্যাসৰক্ষীয়ে নিয়োগ কৰে। এটা সম্পত্তি পৰিচালনা কোম্পানী কোম্পানী আইনৰ অধীনত গঠন কৰা

হয় আৰু যৌথ পুঁজি এটাৰ সমূহ আঁচনি পৰিচালনা কৰাৰ দায়িত্ব গ্ৰহণ কৰে। এটা অনুষ্ঠানে মাত্ৰ এটা যৌথ পুঁজিৰহে সম্পত্তি পৰিচালনা কোম্পানী হিচাপে দায়িত্ব ল'ব পাৰে। যৌথ পুঁজি এটা পৰিচালনা কৰিবলৈ ন্যাসৰক্ষী আৰু সম্পত্তি পৰিচালনা কোম্পানীৰ মাজত এখন বিনিয়োগকাৰী কোম্পানী পৰিচালনা চুক্তি সম্পাদনা কৰা হয়। সম্পত্তি পৰিচালনা কোম্পানীয়ে যৌথ পুঁজিলৈ আগবঢ়োৱা সেৱাৰ বাবে মাচুল আদায় কৰে। বিভিন্ন ন্যাসৰক্ষীৰ তত্বাৱধানত ই ন্যাসৰ হৈ বিনিয়োগ পৰিচালক হিচাপে কাম কৰে।

(ঘ) **অভিৰক্ষক ঃ** যৌথ পুঁজিৰ পৰিচালকে ক্ৰয় কৰা প্ৰতিভূতিসমূহ যি প্ৰতিষ্ঠানত জিম্মা ৰখা হয় সেই প্ৰতিষ্ঠানক অভিৰক্ষক বোলা হয়। অভিৰক্ষকজন যিকোনো কাৰণত অভিৰক্ষক প্ৰতিষ্ঠানটো সম্পত্তি পৰিচালনা কোম্পানীৰ লগত জড়িত হ'ব নোৱাৰিব আৰু কোনো যৌথ পুঁজিৰ ন্যাসৰক্ষী বা পৃষ্ঠপোষক হ'ব নোৱাৰিব।

৫.৯ পদ্ধতিগত বিনিয়োগ আঁচনি (SYSTEMATIC INVESTMENT PLAN)

এজন বিনিয়োগকাৰীয়ে থূলমূল হিচাপে কোনো পৰিমাণৰ টকা যৌথ পুঁজিৰ যিকোনো আঁচনিত বিনয়োগ কৰিব পাৰে। কিন্তু তেনে বিনিয়োগৰ বাবে তেওঁ বজাৰ গতিবিধিৰ উচিত পূৰ্বানুমান কৰিব লাগিব, যিটো আনকি বৃত্তিধাৰী বিনিয়োগকাৰীসকলৰ বাবেও সহজ নহয়। যদিহে বজাৰ উচ্চ হাৰত চলি থকা সমত বিনিয়োগ কৰা হয় বজাৰ উদ্বায়ু হৈ থাকে আৰু ক্ষতিৰ শংকা বাঢ়ি যায়। থূলমূলভাৱে বিনিয়োগ কৰাতকৈ আজিকালি যৌথ পুঁজিৰ বজাৰত পদ্ধতিগত বিনিয়োগ আঁচনিৰ দ্বাৰা বিনিয়োগকাৰী এজনে এটা স্থিৰ পৰিমাণৰ টকা এক নিৰ্দিষ্ট সময়ৰ বাবে বিনিয়োগ কৰিব পাৰে। এই আঁচনিত এক নিৰ্দিষ্ট পৰিমাণৰ টকা নিৰ্দিষ্ট সময়ৰ মুৰে মুৰে সমাংশ অংশযুক্ত আঁচনিত বিনিয়োগ কৰে এই আঁচনিত সাধাৰণতে আয়ৰ হাৰ উচ্চ হয় আৰু এক দীৰ্ঘকালীন বিনিয়োগৰ সুবিধা দিয়ে। সেয়েহে পদ্ধতিগত বিনিয়োগ আঁচনি এক বৃহৎ সংখ্যক বিনিয়োগকাৰীৰ বাবে এক জনপ্ৰিয় বিনিয়োগ আঁচনি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ ন্যাসৰক্ষী কোন?

.....

.....

প্ৰশ্ন নং ৬ঃ পদ্ধতিগত বিনিয়োগ আঁচনি বুলিলে কি বুজে?

.....

.....

৫.১০ ভাৰতীয় প্ৰতিভূতি বিনিময় বোৰ্ড (যৌথ পুঁজি) নীতি, ১৯৯৬ (SEBI (MUTUAL FUNDS) REGULATION, 1996)

যৌথ পুঁজিৰ পঞ্জীয়ন, যৌথ পুঁজিৰ গঠন আৰু পৰিচালনা, ন্যাসৰক্ষীৰ কাৰ্যৱলী, যৌথ পুঁজিৰ অভিৰক্ষক আঁচনি, বিনিয়োগৰ উদ্দেশ্য আৰু মূল্যায়ন পদ্ধতি, সাধাৰণ দায়বদ্ধতা, পৰিদৰ্শত আৰু হিচাপ পৰীক্ষণ ইত্যাদি সকলো দিশ সামৰি ১৯৯৬ চনৰ ৯ ডিচেম্বৰ তাৰিখে ভাৰতীয় প্ৰতিভূতি বিনিময় বোৰ্ডে যৌথ পুঁজি নীতিৰ সংশোধন ঘোষণা কৰে। বিনিয়োগকাৰীৰ সুৰক্ষা অধিক সুনিশ্চিত কৰিবলৈ, বজাৰত অধিক নমনীয়তা আনিবলৈ আৰু নতুন উদ্ভাবনকৈ উৎসাহ জনাবলৈ এই সংশোধন কৰা হৈছিল।

যৌথ পুঁজি আৰু যৌথ পুঁজিৰ আঁচনিৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে সেইসমূহৰ তুলনা আৰু ভাল-বেয়া বিচাৰ কৰিবলৈ বিনিয়োগ মূল্যায়নৰ আৰু হিচাপৰক্ষণৰ সম নীতিৰ প্ৰয়োজন হৈ পৰে। ১৯৯৬ চনৰ সংশোধনে যৌথ পুঁজিৰ এই সকলোবোৰ দিশ সামৰি এক সুস্থ বাতাবৰণ সৃষ্টি কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এই সংশোধনী অনুসৰি সম্পত্তি পৰিচালনা কোম্পানীসমূহে সংশোধনীৰ একমাহৰ ভিতৰত তেওঁলোকৰ মূলধন ৫ কোটি টকাৰ পৰা ১০ কোটি টকালৈ বৃদ্ধি কৰিবলৈ নিৰ্দেশ দিছে। সম্পত্তি পৰিচালনা কোম্পানীসমূহক অন্যান্য মূলধন ভিত্তিক সেৱা যেনে বাহিৰাগত কোম্পানীলৈ বিনিয়োগ সেৱা আগবঢ়োৱাবলৈ অনুমতি দিয়া সংশোধিত নীতিয়ে মাচুলৰ হাৰ আগৰ দৰে ৰাখিছে। যৌথ পুঁজিটোৱে প্ৰচলিত আঁচনিত কোনোধৰণৰ পৰিবৰ্তন কৰিব বিচাৰিলে, তাৰ বাবে বিনিয়োগকাৰীসকলৰ আগতীয়া অনুমতি ল'ব লাগিব। বিনিয়োগৰ সবিশেষ প্ৰকাশ কৰা, হিচাপৰ নীতিৰ মান নিৰ্ধাৰণ কৰা, সম্পত্তিৰ শুদ্ধ মূল্য নিৰ্ধাৰণ আৰু দৰ নিৰ্ধাৰণৰ মূল্যায়ন নীতি সঠিক কৰা সংশোধিত নীতি মতে প্ৰয়োজনীয়, যৌথ পুঁজিৰ পৃষ্ঠপোষকসমূহৰ লেনদেনত সংজমতা বা বাধ্যকতা আনি পুঁজিৰ অপব্যৱহাৰ ৰোধ কৰাৰ ব্যৱস্থা সংশোধিত নীতিত আছে। আগতীয়া বিনিয়োগৰ ক্ষেত্ৰত ৰেহাই দিয়াৰ ব্যৱস্থাও নতুন নীতিত আছে যদিহে সেইবোৰক আগতীয়া বিনিয়োগৰ বাবে সূদ আদায় হিচাপে ধৰা হয় আৰু সেইবোৰ সম্পূৰ্ণকৈ প্ৰকাশ কৰা হয়।

স্থিৰ মূল্যৰ প্ৰতিভূতিৰ ক্ষেত্ৰত যৌথ পুঁজিসমূহক আকাংক্ষিত আয়ৰ উল্লেখ কৰিব অনুমতি প্ৰদান কৰিছে। ক্ষতি শংকা স্থানান্তৰ আৰু পৌৰ্টফ'লিঅ সন্তুলনৰ বাবে যৌথ পুঁজিসমূহক ডিৰাইভেটিভ বেচা কিনা কৰাৰ অনুমতি দিবৰ বাবে ১৯৯৮-১৯৯৯ চনত যৌথ পুঁজি নীতি সংশোধন কৰা হৈছিল। ভাৰতীয় প্ৰতিভূতি বোৰ্ডৰ অধীনত পঞ্জীকৃত হৈ থকা যৌথ পুঁজি বা পুঁজি পৰিচালকসকলক বিদেশী বজাৰত ৫০০ মিলিয়ন ডলাৰলৈ বিনিয়োগ কৰিবলৈ অনুমতি প্ৰদান কৰা হৈছে।

অক্টোবৰ ১৯৯৯ চনত ভাৰতীয় প্ৰতিভূতি বোৰ্ডে যৌথ পুঁজিৰ বিনিয়োগ নীতিত যথেষ্ট কঠোৰতা অবলম্বন কৰে। এই নীতি অনুসৰি যৌথ পুঁজিসমূহক ইয়াৰ শুদ্ধ সম্পত্তিৰ মূল্যৰ ১০% কৈ অধিক পুঁজি এটা কোম্পানীৰ অংশত বিনিয়োগ কৰিব নোৱাৰে। ঋণ প্ৰতিভূতিৰ

ক্ষেত্রত শুদ্ধ সম্পত্তিৰ মূল্যৰ ১৫% ও অধিক পুঁজি এটা কোম্পানীৰ ঋণ প্রতিভূতিত বিনিয়োগ কৰিব নোৱাৰিব। (২০% লৈ পাৰিব যদিহে ন্যাসৰক্ষী বা সম্পত্তি পৰিচালনা কোম্পানীৰ আগতীয়া অনুমোদন থাকে) সকলো আঁচনি মিলাই সম্পত্তিৰ প্রকৃত মূল্যৰ ২৫% তালিকাভুক্ত কোম্পানীৰ প্রতিভূতিত বিলি কৰাৰ সীমাৰ পূর্বৱর্তী নিয়মৰ বিপৰীতে নতুন নিয়ম অনুসৰি এটা আঁচনিত সম্পত্তিৰ প্রকৃত মূল্যৰ ২৫% বিনিয়োগ কৰিব পাৰে। ১৯৯৭ চনৰ ৭ জুন তাৰিখৰ পৰা যৌথ পুঁজিসমূহে এটা তালিকাভুক্ত কোম্পানীত মুকলি পুঁজিৰ পূর্বৰ সম্পত্তিৰ প্রকৃত মূল্যৰ ৫% তুলনাত ১০% বিনিয়োগ কৰিব পাৰিব। চাৰিভাগৰ তিনিভাগ গোট ধাৰকৰ মতামত নোহোৱাকৈ আঁচনিৰ মৌলিক বৈশিষ্ট পৰিৱর্তন কৰিব দিয়া হৈছে, যদিহে গোটধাৰক সকলকে সম্পত্তিৰ প্রকৃত মূল্যত, কোনো ধৰণৰ খৰচ নোহোৱাকৈ আঁচনিৰ পৰা ওলাই আহিব পাৰে। যৌথ পুঁজিসমূহক গ্রাহকক বিপথে পৰিচালিত কৰিব পৰা প্রতিশ্রুতি বা দাবী কৰিবলৈ আৰু অতিতৰ ফলা-ফলৰ ওপৰত নির্ভৰ কৰি কোনো ধৰণৰ দাবী কৰাৰ পৰা বিৰত থাকিব নির্দেশ দিয়া হৈছে।

সম্পত্তি পৰিচালনা কোম্পানী

এটা যৌথ পুঁজিৰ সম্পত্তি পৰিচালনা কোম্পানীয়ে পৰিচালনা কৰে। সম্পত্তি পৰিচালনা কোম্পানী এটা পৃষ্ঠপোষকসকলে আৰু ন্যাসৰক্ষীসকলে নিয়োগ কৰে। সম্পত্তি পৰিচালনা কোম্পানী এটা কোম্পানী আইনৰ অধীনত পঞ্জীয়ন কৰিব লাগে আৰু ভাৰতীয় প্রতিভূতি বিনিময় কেন্দ্রৰ দ্বাৰা স্বীকৃত হ'ব লাগে। সম্পত্তি পৰিচালনা কোম্পানীয়ে যৌথ পুঁজিৰ কাম-কাজ আৰু আঁচনিসমূহ পৰিচালনা কৰে। ভাৰতীয় প্রতিভূতি বিনিময় কেন্দ্রই সম্পত্তি পৰিচালনা কোম্পানীৰ স্মাৰক লিপি আৰু অর্ন্তলিপিৰ আর্হি পৰীক্ষণ কৰাৰ পিছতহে কোম্পানীসমূহৰ পঞ্জীয়কে সম্পত্তি পৰিচালনা কোম্পানী এটা পঞ্জীয়ন কৰে। সম্পত্তি পৰিচালনা কোম্পানী এটাই তলত দিয়া কর্তব্যসমূহ পালন কৰিব লাগে— কোনো আঁচনি যাতে ট্রাষ্ট চুক্তি কোনো দফাৰ বিপৰীতে নাযায় তাৰ বাবে সম্পত্তি পৰিচালনা কোম্পানীয়ে সকলো ধৰণৰ দায়িত্বশীল পদক্ষেপ ল'ব লাগে।

- সকলো ধৰণৰ বিনিয়োগৰ সিদ্ধান্তত সম্পত্তি পৰিচালনা কোম্পানী এটাই আৱশ্যকীয় সতর্কতা আৰু যতন ল'ব লাগে। সম্পত্তি পৰিচালনা কোম্পানীৰ কর্মচাৰী বা অন্য ভাৰতীয় সেৱা দাতাই কৰা ভুলৰ বাবে সম্পত্তি পৰিচালনা কোম্পানী দায়ী হ'ব।
- সম্পত্তি পৰিচালনা কোম্পানী এটাই প্রতি তিনিমাহৰ মূৰে মূৰে ন্যাসৰক্ষীসকলক প্রতিবেদন দাখিল কৰিব লাগে।
- ন্যাসৰক্ষীসকলে সম্পত্তি পৰিচালনা কোম্পানীৰ অনুৰোধত সম্পত্তি পৰিচালনা কোম্পানীৰ কাম-কাজ বাতিল কৰিব পাৰে।
- এটা সম্পত্তি পৰিচালনা কোম্পানীয়ে পৃষ্ঠপোষকৰ লগত জড়িত কোনো দালাল বা মধ্যভোগীৰ লগত বা যৌথপুঁজি এটাৰ মুঠ দৈনিক ব্যৱসায়ৰ ৫% বেছি ব্যৱসায়ৰ লগত জড়িত কোনো প্রতিষ্ঠানৰ লগত কোনো প্রতিভূতিৰ ক্রয় বিক্রয় কৰিব নোৱাৰে।
- কোনো সম্পত্তি পৰিচালনা কোম্পানীয়ে প্রতিভূতি বিক্রী বা বিলিৰ বাবে কোনো পৃষ্ঠপোষক

বা পৃষ্ঠপোষকৰ লগত জড়িত ব্যক্তি বা সম্বন্ধীয় কোনো ব্যক্তিক নিয়োগ কৰিব নোৱাৰে যদিহে উক্ত বিষয়ে গোট ধাৰকসকলক জনোৱা নহয় আৰু তেওঁলোকক দিয়া দালালি আদিৰ বিষয়ে ছমাহিলি হিচাপৰ প্ৰতিবেদনত প্ৰকাশ নাপাই।

- আর্থিক অপৰাধত জড়িত আৰু প্ৰতিভূতি আইনৰ কোনো ধাৰা ভংগ কৰা কোনো ব্যক্তিক দায়িত্বশীল পদবীত ৰাখিব নোৱাৰে।
- সম্পত্তি পৰিচালনা কোম্পানীৰ পঞ্চম সূচীত থকা নীতি-নিয়মসমূহ মানি চলিব লাগিব।
- সম্পত্তি পৰিচালনা কোম্পানীয়ে নিযুক্তি দিয়া পঞ্জীয়ক আৰু অংশ সঞ্চলিত অভিৰ্কতা ভাৰতীয় প্ৰতিভূতি বিনিময় কেন্দ্ৰৰ অধীনত পঞ্জীকৃত হ'ব লাগিব।
- সম্পত্তি পৰিচালনা কোম্পানীয়ে প্ৰতিভূতিৰ ক্ৰয় বিক্ৰয়, গোট ধাৰক প্ৰদান কৰা সেৱা আৰু বিনিয়োগ কার্যকে আদি কৰি কোনোধৰণৰ কাম কাজ ভাৰতবর্ষৰ বাহিৰত কৰিব নোৱাৰে। যদিহে তেনে কোনো কাম-কাজ ভাৰতবর্ষৰ বাহিৰত চলি থাকে তেন্তে তেনে কাম-কাজ ভাৰতীয় প্ৰতিভূতি বিনিময় কেন্দ্ৰ (যৌথ পুঁজি) (সংশোধীত) আইন ২০১১ প্ৰযোজ্য হোৱাৰ এবছৰৰ ভিতৰত বন্ধ কৰিব লাগিব।
- সম্পত্তি পৰিচালনা কোম্পানীয়ে বিনিয়োগৰাকীসকলকে দাবী নকৰা ধন ঘূৰাই ল'বৰ বাবে চিঠি প্ৰদান কৰি অহৰহ সোঁৱৰাই থাকিব লাগিব।

  বিনিয়োগকাৰীসকল দাবী নকৰা ধনৰ পৰিমাণ আৰু তেনে বিনিয়োগকাৰীৰ সংখ্যাৰ তথ্য যৌথ পুঁজিৰ বার্ষিক প্ৰতিবেদনত প্ৰকাশ কৰিব লাগে। তেনে দাবী নকৰা পুঁজিসমূহ যৌথ পুঁজিয়ে মুদ্ৰা বজাৰত বিনিয়োগ কৰিব পাৰে। যিবোৰ বিনিয়োগৰাকীয়ে তিনিবছৰৰ ভিতৰত ধন দাবী কৰে তেওঁলোকে প্ৰচলিত সম্পত্তিৰ উচিত মূল্য অনুপাতৰ ধন ঘুৰাই পাব। তেনে পুঁজিৰ পৰা হোৱা আয়সমূহ বিনিয়োগৰাকী শিক্ষা পুঁজিলৈ স্থানান্তৰ কৰা হয়।

৫.১১ ভাৰতবর্ষত যৌথ পুঁজিৰ বিকাশ (GROWTH OF MUTUAL FUNDS IN INDIA)

ভাৰতবর্ষত যৌথ পুঁজিৰ বিকাশ বিভিন্ন স্তৰত হৈছে। ভাৰতবর্ষত যৌথ পুঁজিৰ এই বিকাশ মূলতঃ চাৰিটা স্তৰত ভাগ কৰিব পাৰি— প্ৰথম স্তৰ (১৯৬৪-৪৭), দ্বিতীয় স্তৰ (১৯৪৭-৯২), তৃতীয় স্তৰ (১৯৯২-৯৭), চতুর্থ স্তৰ (১৯৯৭ৰ পৰা এতিয়ালৈ) প্ৰথমস্তৰ ঃ ১৯৬৩ চনত UTI আইনৰ অধীনত স্থাপন কৰা ভাৰতবর্ষৰ প্ৰথমটো যৌথ পুঁজি। গোট বিক্ৰীৰ দ্বাৰ সঞ্চিত পুঁজি প্ৰতিভূতিৰ বিনিয়োগ কৰি মূলধন বৃদ্ধিৰ উদ্দেশ্যেৰে ১৯৬৪ চনত UTI এ কাম-কাজ আৰম্ভ কৰিছিল। যৌথ পুঁজিৰ এই যুগ আৰম্ভ হৈছিল। গোট আঁচনি (১৯৬৪ (US-64) ৰ আৰম্ভণিৰ পৰা। US-64 হৈছে ভাৰতবর্ষৰ আটাইতকৈ জনপ্ৰিয় আৰু প্ৰথম মুকলি আঁচনি। বর্তমান UTI ৰ মুঠ বিনিয়োগকাৰীৰ সংখ্যা ১০ মিলিয়নতকৈ বেছি। ১৯৮৬ চনত আৰম্ভ কৰা Master share, সমাংশ বৃদ্ধি পুঁজি আছিল। UTI ৰ এক বৃহৎ সাফল্য। এইটো আছিল UTI ৰ প্ৰথমটো বন্ধ পুঁজি। ১৯৮৬ চনত UTI এ ভাৰত পুঁজি আৰম্ভ কৰে যিটো হৈছে ভাৰতৰ প্ৰথম পুঁজি য'ত দেশৰ

বাহিৰৰ বিনিয়োগকাৰীয়ে বিনিয়োগ কৰে। এই পুঁজি লণ্ডন প্ৰতিভূতি বিনিময় কেন্দ্ৰত তালিকাভুক্ত। ১৯৮৭ লৈ UTI আছিল ভাৰতবৰ্ষত একমাত্ৰ যৌথ পুঁজি।

- **দ্বিতীয় স্তৰ ঃ** দ্বিতীয় স্তৰত দেশৰ ৰাষ্ট্ৰীয়কৃত বেংক আৰু বীমা কোম্পানীসমূহ পৃষ্ঠপোষকতাত ভাৰতবৰ্ষত যৌথ পুঁজি স্থাপন হয়। ১৯৮৭ চনত SBI যৌথ পুঁজি আৰু Canra Bank যৌথ পুঁজি ভাৰতীয় ন্যাস আইনৰ অধীনত ন্যাস হিচাপে আৰম্ভ কৰা হয়। ১৯৮৮ চনত UTI এ ভাৰত বিকাশ পুঁজি (India Growth Fund) বুলি আৰু এটা পুঁজি বিদেশী বিনিয়োগকাৰীসকলে বিনিয়োগ কৰিব পৰাকৈ পুঁজি স্থাপন কৰে। এই পুঁজি নিউয়ৰ্ক প্ৰতিভূতি বিনিময় কেন্দ্ৰত তালিকাভুক্ত। ১৯৯০ চনলৈ, ভাৰতবৰ্ষৰ দুটা বীমা কোম্পানী — ভাৰতীয় জীৱন বীমা নিগম আৰু ভাৰতীয় সাধাৰণ বীমা নিগম, ৰাষ্ট্ৰীয়কৃত বেংক বিশেষকৈ — Indian Bank, Bank of India আৰু Punjab National Bank এ নিজাববীয়াকৈ যৌথ পুঁজিসমূহে প্ৰবৰ্তন কৰা নিশ্চিত আয় প্ৰদান কৰা আঁচনিসমূহ পৃষ্ঠপোষক বেংকৰে অন্য আঁচনিৰ দৰে আছিল। পৰৱৰ্তী সময়ত SEBI এ সকলো যৌথ পুঁজিৰ বাবে এখন বিশাদ নিয়মাৱলী প্ৰকাশ কৰে। এই নিয়মাৱলী অনুসৰি যৌথ পুঁজিসমূহ SEBI ৰ অধীনত পঞ্জীকৃত হ'ব লাগিব আৰু পৃষ্ঠপোষক আৰু সম্পত্তি পৰিচালনা কোম্পানীৰ মাজত এক সুসম্পৰ্ক বজাই ৰাখিব লাগিব। ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহে যৌথ পুঁজিৰ ব্যৱসায় আৰম্ভ কৰাৰ পিছত যৌথ পুঁজি ব্যৱসায়ৰ যথেষ্ট উত্থান হয় আৰু বিনিয়োগ যোগ্য পুঁজিৰ পৰিমাণ যথেষ্ট বৃদ্ধি হয়।
- **তৃতীয় স্তৰ ঃ** ১৯৯৩ চনটো যৌথ পুঁজিৰ ইতিহাসত এটা ঐতিহাসিক দিন। ১৯৯৩ চনৰ জানুৱাৰী মাহত SEBI এ যৌথ পুঁজি নীতি বলবৎ কৰিছিল। SEBI ৰ এই নীতিখনে UTI ৰ বাহিৰে সকলো যৌথ পুঁজিক একেখন নিয়ামক মঞ্চৰ অধিনলৈ আনে। ঘৰ বা ব্যক্তিগত আৰু বিদেশী যৌথ পুঁজিৰ কোম্পানী ব্যৱসায় কৰিবলৈ অনুমতি দিয়া হয়। ভাৰতবৰ্ষৰ প্ৰথমটো ব্যক্তিগত খণ্ডৰ যৌথ পুঁজি হ'ল ১৯৯৩ চনত স্থাপন কৰা Kothari Pioneer Mutual Fund যিটো ভাৰতৰ কোঠাৰী গ্ৰুপ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ Pioneer ৰ যৌথ উদ্যোগত স্থাপন কৰা হৈছিল। ১৯৯৩ চনত Kothari Pioneer এ প্ৰথমটো মুকলি পুঁজি আৰম্ভ কৰে। এই সময়ছোৱাত বহুতো ব্যক্তিগত খণ্ডৰ যৌথ পুঁজি ব্যৱসায় আৰম্ভ কৰে। ১৯৯২ চনত UTI এ Master-gain নামেৰে এটা নতুন আঁচনি আৰম্ভ কৰে যিটো ৪৮৯০০ কোঠা টকাৰ আৱেদন পুঁজি আৰু ৬৩ লাখে আৱেদনকাৰীৰে UTI ৰ এক বৃহৎ সংখ্যক আঁচনি ৰূপে চিহ্নিত হৈছিল। এই সময়ছোৱাতে যৌথ পুঁজি উদ্যোগ বিনিয়োগযোগ্য পুঁজিৰ বজাৰ মূল্য ৭৬৫৫ কোঠা আৰু বিনিয়োগকাৰীৰ সংখ্যা ৫০ মিলিয়ন পাৰ হৈছিল। কিন্তু ১৯৫৫ চনত যৌথ পুঁজিৰ উত্থান লেহেমীয়া আছিল। লগতে এইখিনি সময়তে বিনিয়োগকাৰীৰ সংখ্যা বৃদ্ধিৰ লগে লগে যৌথ পুঁজিসমূহৰ সেৱাৰ মানদণ্ড যথেষ্ট তললৈ যায়। ৰাজহুৱা খণ্ডৰ যৌথ পুঁজিসমূহৰ মণ্ডাৰস্থা আৰু Mongan Stanlay ৰ দৰে পুঁজিৰ বিমলতাৰ বাবে বিনিয়োগকাৰীসকলৰ যৌথ পুঁজিৰ

ওপৰত আস্থা কমি আহে। যৌথ পুঁজিসমূহে বিনিয়োগকাৰীৰ পৰা পুঁজি সংগ্রহ কৰোতে যথেষ্ট অসুবিধাৰ সন্মুখীন হয়।

- **চতুর্থ স্তৰ ঃ** এই সময়ছোৱাত যৌথ পুঁজিলৈ বিনিয়োগৰ পৰিমাণ যথেষ্ট বৃদ্ধি হয়। এই উত্থানৰ মূলতে আছিল মূলধনী বজাৰৰ ইতিবাচক বাতাবৰণ, কৰ ৰেহাই আৰু সেৱাৰ মানদণ্ডৰ উন্নতি। জুন ২০০০লৈ বিনিয়োগযোগ্য পুঁজিৰ পৰিমাণ ১,১০,০০০ কোটি টকা হয়গৈ য'ত ৬৮% পুঁজি কেৱল UTI ৰ আছিল। বিশ্বৰ ডাঙৰ ডাঙৰ যৌথ পুঁজিসমূহে প্রকৃত সম্পত্তিৰ মূল্য প্রকাশ কৰাৰ লগতে ভুল বিনিয়োগ সিদ্ধান্তৰ বাবে ডাঙৰ ডাঙৰ যৌথ পুঁজিসমূহ কিছু পৰিমাণে অসুবিধাৰ সন্মুখীন হয় যাৰ প্রভাব ভাৰতবর্ষৰ যৌথ পুঁজিসমূহতো পৰিছিল। Pioneer ITI, JP Mongan আৰু Newton Investment Management এ ভাৰতীয় বজাৰ ত্যাগ কৰে। Bank of India Mutual Fund এ সকলো আঁচনি ত্যাগ কৰে।

৫.১২ ভাৰতবর্ষৰ যৌথ পুঁজিসমূহে সন্মুখীন হোৱা প্রত্যাহ্বান (CHALLENGES FACED BY THE MUTUAL FUNDS IN INDIA)

ভাৰতবর্ষৰ যৌথ পুঁজিসমূহৰ ফলাফল আশাপ্রদ নহয়। বহু ক্ষেত্রত যৌথ পুঁজিসমূহে বিনিয়োজিত মূলধন আৰু প্রতিশ্রুতি দিয়া আয় বিনিয়োগকাৰীক দিবলৈ বিফল হৈছে। তলত ভাৰতীয় যৌথ পুঁজিসমূহে সন্মুখীন হোৱা অসুবিধাসমূহ আলোচনা কৰা হ'ল—

(ক) উদ্ভাৱনৰ অভাৱ ঃ ভাৰতীয় যৌথ পুঁজিসমূহে সময়ৰ লগত ফেৰ মাৰিব পৰাকৈ অর্থাৎ শংকা, তাৰল্যতা আৰু বিনিয়োগৰাকীৰ পচন্দ অনুসৰি আঁচনি ৰূপায়ণত বিফল হৈছে।

(খ) গতানুগতিক বিনিয়োগ ঃ ভাৰতবর্ষৰ যৌথ পুঁজিসমূহে গতানুগতিক পদ্ধতিত বিনিয়োগ কৰে। সেয়েহে, যৌথ পুঁজিসমূহে শংকা বিচলিত কৰা বিফল হৈছে যাৰ বাবে বিনিয়োগৰ আয় হ্রাস পাইছে।

(গ) শংকা পৰিচালনা কৰাৰ অনুন্নত পদ্ধতি ঃ শেহতীয়া তথ্য অনুসৰি প্রায় ৫০% যৌথ পুঁজিয়ে শংকা সঠিকভাৱে পৰিচালনা নকৰে আৰু অন্য ৫০%ৰ কোনো ধৰণৰ শংকা পৰিচালনাৰ পদ্ধতি লগতে সুকীয়া শংকা পৰিচালক নাই।

(ঘ) তাৰল্যৰ অভাৱ ঃ ভাৰতৰ যৌথ পুঁজিসমূহৰ তাৰল্যৰ অভাৱ কেতিয়াবা কেতিয়াবা বিনিয়োগকাৰীসকলে কিছুমান আঁচনিৰ ধন ঘূৰাই পোৱাত অসুবিধাৰ সন্মুখীন হয়।

(ঙ) স্বচ্ছতাৰ অভাৱ ঃ ভাৰতৰ যৌথ পুঁজিসমূহে বিনিয়োগকাৰীসকলক উপযুক্ত তথ্যৰ যোগান নধৰে। আনকি বহুসংখ্যক যৌথ পুঁজিয়ে তেওঁলোকৰ তিনিমহীয়া বিত্তীয় প্রতিবেদন দাখিল কৰাত ব্যর্থ হয়।

(চ) অনিয়মিত সেৱা ঃ ভাৰতীয় যৌথ পুঁজিসমূহে বিনিয়োগকাৰীলৈ উপযুক্ত পৰিমাণৰ সেৱা উপযুক্ত সময়ত দিবলৈ ব্যর্থ। ভাৰতীয় যৌথ পুঁজিসমূহে প্রদান কৰাত নিম্নমানৰ সেৱাৰ

বাবে যৌথ পুঁজিৰ ওপৰত বিনিয়োগকাৰীসকলৰ আস্থা সুদৃঢ় নহয়।



৫.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- যৌথ পুঁজি হৈছে এক বিশেষ প্ৰকাৰৰ বিনিয়োগ অনুষ্ঠান যিটোৱে সমূহীয়া বিনিয়োগৰ বাবে বিনিয়োগকাৰীৰ পৰা সঞ্চয় সংগ্ৰহ কৰে।
- বিনিয়োগকাৰীসকলৰ বিভিন্ন প্ৰয়োজন অনুসৰি যৌথ পুঁজিসমূহে বিভিন্ন আঁচনি বজাৰত মুকলি কৰে।
- মুদ্ৰা বজাৰ যৌথ পুঁজি হৈছে এক বিশেষ ধৰণৰ আঁচনি যাৰ দ্বাৰা পুঁজি কেৱল উচ্চ তাৰল্য সম্পন্ন মুদ্ৰা বজাৰ আহিলাত বিনিয়োগ কৰা হয়।
- এটা যৌথ পুঁজিসমূহ পৃষ্ঠপোষক বা ন্যাসৰক্ষীয়ে নিয়োগ কৰাৰ সম্পত্তি পৰিচালনা কোম্পানীয়ে পৰিচালনা কৰে।



৫.১৪ অধিক জানিবলৈ (FURTHER READINGS)

১) Batra G.S. (2002). Financial services and markets. New Delhi, Deepand Deep Publication Pvt. Ltd.

২) Mishkin,Frederic S. (2007) Financial Markets and Institutions. New Delhi, Pearson Education Ltd.

৩) Srivastava, R.M. (2009). Management of Indian financial institutions. New Delhi, Himalaya Publishing House.

৪) Khan, M. Y. (2007). Indian Financial System. New Delhi. Tata McGraw Hill.

৫) Pathak, Bharati V (2006). The Indian Financial System : Markets, institutions and services. New Delhi, Pearson Education Ltd.



৫.১৫ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্রশ্নৰ উত্তৰঃ যৌথ পুঁজি হৈছে এক বিশেষ প্রকাৰৰ বিনিয়োগ অনুষ্ঠান। যিটোৱে সমূহীয়া বিনিয়োগৰ বাবে বিনিয়োগকাৰীৰ পৰা সঞ্চয় সংগ্রহ কৰি বিভিন্ন প্রতিভুতিৰ বিনিয়োগ কৰে।

২ নং প্রশ্নৰ উত্তৰঃ যৌথ পুঁজিৰ দুটা বৈশিষ্ট্য হ'ল— (ক) বিভিন্ন প্রকাৰৰ আঁচনিৰ যোগেদি বিনিয়োগকাৰীৰ সুবিধা অনুযায়ী সকলো সময়তে বিনিয়োগৰ সুবিধা।
(খ) ক্ষীপ্র আৰু শংকা কম আৰু উচ্চ আয় সম্পন্ন বিনিয়োগৰত গুৰুত্ব।

৩ নং প্রশ্নৰ উত্তৰঃ যিবোৰ পুঁজিৰ উদ্দেশ্য বিনিয়োগকাৰীৰ বর্তমান আয় বৃদ্ধি কৰা তেনে পুঁজিসমূহক আয় পুঁজি বোলা হয়।

৪ নং প্রশ্নৰ উত্তৰঃ দেশৰ চাৰিসীমাৰ ভিতৰত ব্যৱসায় চলাই থকা যৌথ পুঁজিসমূহক দেশীয় যৌথ পুঁজি বোলে।

৫ নং প্রশ্নৰ উত্তৰঃ যি ব্যক্তিয়ে গোট ধাৰকৰ লাভৰ বাবে যৌথ পুঁজিৰ সম্পত্তি ধাৰণ কৰে তেওঁকে ন্যাসৰক্ষী বোলে।

৬ নং প্রশ্নৰ উত্তৰঃ পদ্ধতিগত বিনিয়োগ আঁচনিত এক স্থিত পৰিমাণৰ প্রতি গোটৰ দাম কিমান নাথাকে এক স্থিত পৰিমাণৰ ধন এক নির্দিষ্ট সময়ৰ বাবে বিনিয়োগ কৰিব পাৰে।



৫.১৬ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

প্রশ্ন ১ঃ যৌথ পুঁজিৰ সংজ্ঞা দিয়ক।

প্রশ্ন ২ঃ পদ্ধতিগত বিনিয়োগ আঁচনি কি?

প্রশ্ন ৩ঃ বিভিন্ন প্রকাৰৰ যৌথ পুঁজিৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৪ঃ যৌথ পুঁজিৰ বিভিন্ন উপাদানসমূহ আলোচনা কৰক।

প্রশ্ন ৫ঃ সম্পত্তি পৰিচালনাৰ কোম্পানীৰ বিভিন্ন দায়বদ্ধতাসমূহ আলোচনা কৰক।

*** ***** ***